**3 (Sem – 5/CBCS) ASM RE 1/RE 2**

**2025**

# ASSAMESE

( Regular Elective )

**Answer the Questions from any one Option.**

## OPTION–A

Paper : ASM–RE–5016

( শংকৰদেৱ )

## OPTION–B

Paper : ASM–RE–5026

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

## OPTION–A

### Paper : ASM – RE – 5016

### (শংকৰদেৱ)

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×১০=১০

(ক) 'পাৰিজাত হৰণ' নাটত কাক বধ কৰিবলৈ ইন্দ্ৰই স্বৰ্গৰ পৰা আহি শ্ৰীকৃষ্ণক অনুৰোধ জনাইছে?

(খ) শংকৰদেৱ প্ৰণীত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগৰ আধাৰগ্ৰন্থ কি?

(গ) 'কীৰ্ত্তন' পুথিৰ কোনটো খণ্ডত বকাসুৰ বধৰ কাহিনী বৰ্ণিত হৈছে?

(ঘ) 'গজেন্দ্ৰ উপাখ্যান'ত বৰ্ণিত বনখনৰ নাম কি?

(ঙ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটি কি ৰাগত ৰচিত?

(চ) শংকৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

(ছ) 'কীৰ্ত্তন'ৰ ভাবাদৰ্শৰ সৈতে মিল থকা 'সহস্ৰ নাম বৃত্তান্ত' খণ্ডটিৰ ৰচক কোন?

(জ) বৰগীতক কোনে 'Holy Songs' আখ্যা দিছে?

(ঝ) শংকৰদেৱ আৰু মাধৱদেৱৰ মণিকাঞ্চন-সংযোগ (প্ৰথম মিলন) কোন স্থানত হৈছিল?

(ঞ) শংকৰদেৱে জীৱনৰ শেষ বয়সত ৰচনা কৰা নাটখনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) ‘পাৰিজাত হৰণ’ নাটত শ্ৰীকৃষ্ণৰ কোন *দুগৰাকী* পত্নীৰ উল্লেখ আছে?

(খ) ৰজা হৰিশ্চন্দ্ৰৰ পত্নী আৰু পুত্ৰৰ নাম কি?

(গ) “ৰাজাক সাদৰি মুনি বুলিলা বচন।”
কোন মুনিয়ে, কোন ৰজাৰ আগত ‘গজেন্দ্ৰ উপাখ্যান’ ব্যক্ত কৰিছে?

(ঘ) ‘শাৰঙ্গ পাণি ...’ বৰগীতটিত ব্যৱহৃত ‘শাৰঙ্গ’ আৰু ‘পাণি’ শব্দ দুটাই কি অৰ্থ প্ৰকাশ কৰিছে, লিখা।

(ঙ) অংকীয়া নাটৰ সৃষ্টিত প্ৰভাৱ পৰা অসমৰ *দুটা* লোক-নাট্যধৰ্মী অনুষ্ঠানৰ নাম লিখা।

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ ৫×৪=২০

(ক) ‘পাৰিজাত হৰণ’ নাটত হাস্যৰস কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

(খ) শংকৰদেৱ বিৰচিত ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ত বৰ্ণিত বিশ্বামিত্ৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

(গ) “ ‘কীৰ্ত্তন’ মহাপুৰুষৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন ...” কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ বিষয়বস্তুৰ তাৎপৰ্য বিচাৰ কৰা।

(ঙ) শংকৰদেৱ বিৰচিত 'পাৰিজাত হৰণ' নাটৰ পটভূমি বিশ্লেষণ কৰা।

৪। (ক) শংকৰদেৱে 'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত দেখুওৱা বিচক্ষণতা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) "শংকৰদেৱৰ নাটসমূহৰ ভিতৰত নাটকীয় গুণলৈ দৃষ্টি ৰাখি 'পাৰিজাত হৰণ'কে উৎকৃষ্ট বুলিব পাৰি।" কথাখিনিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

৫। (ক) শংকৰদেৱ বিৰচিত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ "প্ৰতিটো চৰিত্ৰই মূলতকৈ সুস্পষ্ট ভূমিকা গ্ৰহণ কৰিছে" বুলি সমালোচকে কৰা মন্তব্যৰ সমৰ্থনত তোমাৰ যুক্তি আগবঢ়োৱা। ১০

*অথবা*

(খ) "... 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাব্য-সৌন্দৰ্য অস্বীকাৰ কৰিব নোৱাৰি। কৰুণ আৰু হাস্যৰসেৰে কাব্যখন আস্বাদনীয় হৈছে।" 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত প্ৰকাশ পোৱা কৰুণ আৰু হাস্যৰস সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৬। (ক) 'বৰগীত' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা আৰু এক বিশিষ্ট সংগীতধাৰা হিচাপে বৰগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

৪+৬=১০

*অথবা*

(খ) 'কীৰ্ত্তন' পুথিৰ 'গজেন্দ্ৰ উপাখ্যান' আৰু 'শিশুলীলা'ত ভক্তিতত্ত্বৰ প্ৰকাশ কেনেদৰে ঘটিছে, বিশ্লেষণ কৰা।

৫+৫=১০

৭। (ক) শংকৰদেৱৰ চমু পৰিচয় দাঙি ধৰি তেখেতৰ সাহিত্যকৃতিৰ শ্ৰেণীবিভাগসহ পৰিচয়মূলক টোকা যুগুত কৰা।

৪+৬=১০

*অথবা*

(খ) শংকৰদেৱৰ নাটৰ বিশেষত্বসমূহ উল্লেখ কৰি মাধৱদেৱৰ নাটৰ সৈতে এক তুলনামূলক আলোচনা প্ৰস্তুত কৰা।

৪+৬=১০

## OPTION–B

### Paper : ASM – RE – 5026

### ( *অসমীয়া লোকসাহিত্য অধ্যয়ন* )

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×১০=১০

(ক) 'জনা গাভৰু'ৰ আখ্যান গীতটিৰ নায়কগৰাকীৰ নাম কি?

(খ) 'ৰাম বাৰমাহী' গীতটো অসমীয়া কোনটো মাহৰ উল্লেখেৰে আৰম্ভ হৈছে?

(গ) কি উপলক্ষে 'ছাথাৰ' গীত গোৱা হয়?

(ঘ) 'হাইদাং' গীত কোন জনগোষ্ঠীৰ গীত?

(ঙ) অসমৰ কোন জনগোষ্ঠীৰ সাধুকথাক 'লেকে দঃয়িং' বুলি কয়?

(চ) 'মৈছাল' গীত কি কৰ্মৰ সতে জড়িত গীত?

(ছ) নিচুকনি গীতৰ আন এটা নাম কি?

(জ) জিকিৰ শব্দৰ অৰ্থ কি?

(ঝ) অসমীয়া লোকসাহিত্যৰ প্ৰথমজন গৱেষক কোন?

(ঞ) ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে অসমীয়া আখ্যানমূলক জনগীতসমূহক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি?

২। চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) *দুটা* বুৰঞ্জীমূলক মালিতাৰ নাম উল্লেখ কৰা।

(খ) 'বৈছাগু মেথায়' আৰু 'ৰাওনা ৰাওনি' মানে কি?

(গ) অসমীয়া ভাষাত ৰচিত *দুখন* মন্ত্ৰপুথিৰ নাম লিখা।

(ঘ) *দুটা* অসমীয়া স্তুতিমূলক গীতৰ নাম লিখা।

(ঙ) লোকসাহিত্যৰ *দুটা* ঘাই বৈশিষ্ট্য উল্লেখ কৰা।

৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) বাৰমাহী গীত

(খ) ধৰ্মমূলক গীত

(গ) নাওখেলৰ গীত

(ঘ) সমকালীন কাহিনী গীত

(ঙ) মহোহো বা মহখেদা গীত

(চ) অসমীয়া ফকৰা-যোজনা

৪। (ক) অসমীয়া অনুষ্ঠানমূলক লোকগীত সম্পৰ্কে বিৱৰি লিখা। ১০

*অথবা*

(খ) বড়ো *নাইবা* ৰাভা জনগোষ্ঠীৰ উৎসৱকেন্দ্ৰিক গীতৰ বিষয়ে এটি আলোচনা দাঙি ধৰা।

৫। (ক) অসমীয়া জনশ্ৰুতিমূলক *যিকোনো এটি* আখ্যানগীতৰ বিষয়বস্তু সম্পৰ্কে বহলাই লিখা। ১০

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা *যিকোনো এটি* কৃত্ৰিম মালিতাৰ কথাবস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৬। (ক) "এই প্ৰবচন-প্ৰবাদ বাক্যবোৰ হৈছে—দহৰ জ্ঞান, একৰ বাণী।" বোলা কথাষাৰিৰ সন্দৰ্ভত তোমাৰ অভিমত ব্যক্ত কৰা। ১০

*অথবা*

(খ) অসমৰ খেল-ধেমালিৰ সতে জড়িত গীতসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

৭। (ক) লোকসাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) লোকগীতৰ বৈশিষ্ট্য নিৰূপণ কৰি অসমীয়া লোকগীতৰ শ্ৰেণী বিভাজন কৰি দেখুওৱা।